অধ্যায় ১২ ঃ নৱকান্ত বৰুৱা ঃ *বোধিদ্রুমৰ খৰি*

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ আধুনিক অসমীয়া কবিতা আৰু নৱকান্ত বৰুৱা
১২.৪ *বোধিদ্রুমৰ খৰি*
১২.৪.১ কবি পৰিচয়
১২.৪.২ কবিতাটিৰ মূল পাঠ
১২.৪.৩ কবিতাটিৰ বিষয়বস্তু
১২.৪.৪ কবি হিচাপে নৱকান্ত বৰুৱাৰ মূল্যায়ন
১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৬ অধিক জানিবলৈ
১২.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১২.৮ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- নৱকান্ত বৰুৱাৰ কবিতাৰ সামগ্ৰিক কাব্য-চিন্তাৰ লগত পৰিচিত হ'ব
- নৱকান্ত বৰুৱাৰ *বোধিদ্রুমৰ খৰি* কবিতাটিৰ বিষয়বস্তু আৰু প্ৰাসঙ্গিক আন দিশসমূহৰ ধাৰণা লাভ কৰিব
- নৱকান্ত বৰুৱাৰ কবিতাত বৌদ্ধ দৰ্শনে কেনে ধৰণৰ স্থান লাভ কৰিছে সেই বিষয়েও আলোচনা কৰিব পাৰিব।

১২.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত আপুনি অমূল্য বৰুৱাৰ কবিতা *বেশ্যা*ৰ আলোচনা পঢ়িলে। এই অধ্যায়টিত আমি নৱকান্ত বৰুৱাৰ কবিতা *বোধিদ্রুমৰ খৰি* আলোচনা কৰিম।

অসমীয়া কবিতাৰ ৰূপান্তৰৰ পৰ্ব কবি দেৱকান্ত বৰুৱাৰ হাততে আৰম্ভ হৈছিল বুলি ক'ব পৰা যায়। পৰৱৰ্তী সময়ত অসমীয়া সাহিত্যৰ ইতিহাসত *জয়ন্তী* কাকতৰ পাততে বাস্তৱবাদী কবিতাধাৰাৰ শুভাৰম্ভ ঘটে। এই জয়ন্তীৰ পাততে নৱকান্ত বৰুৱাই কাব্য-জীৱনৰ পাতনি মেলিলেও *ৰামধেনু* আলোচনীৰ জৰিয়তেহে তেওঁৰ কাব্য-চিন্তাৰ সাৰ্থক প্ৰতিফলন ঘটে। এই অধ্যায়টিত আপুনি নৱকান্ত বৰুৱাৰ কাব্য-চিন্তাৰ লগত পাঠ্যবিষয়ৰ অন্তৰ্ভুক্ত কবিতাটিৰ বিষয়ে অধ্যয়ন কৰিবলৈ পাব।

১২.৩ আধুনিক অসমীয়া কবিতা আৰু নৱকান্ত বৰুৱা

আধুনিক অসমীয়া কবিতাৰ এগৰাকী শক্তিশালী কবি নৱকান্ত বৰুৱা। এই গৰাকী কবিয়ে *জয়ন্তীৰ* পাততে কাব্য জীৱনৰ শুভাৰম্ভ কৰে। পৰৱৰ্তী কালত *ৰামধেনু* আৰু অন্যান্য আলোচনীৰ পাতত অবিৰতভাৱে কবিতা ৰচনা কৰি অসমীয়া কবিতাক বিশেষ মর্যাদা প্রদান কৰিছে। আধুনিক অসমীয়া কবিতাৰ প্রসাৰ আৰু জনপ্রিয়তাত নৱকান্ত বৰুৱাৰ বৰঙণি অপৰিসীম। নৱকান্ত বৰুৱাৰ কবিতাত মাটিৰ মানুহ আৰু মাটিৰ পৃথিৱীৰ গোন্ধ আছে। জীৱনৰ প্রতি তেওঁৰ মোহ প্রৱল। ভাব আৰু ভাষাৰ সার্থক সমন্বয়, আঙ্গিক আৰু বিষয়বস্তুৰ অভিনৱত্ব, প্রকাশভঙ্গীৰ বৈচিত্র্য, অর্থঘন শব্দ প্রয়োগৰ দক্ষতা— নৱকান্ত বৰুৱাৰ কাব্যৰ সার্থকতা বিচাৰৰ ঘাই সমল। গভীৰ ইতিহাস চেতনা আৰু তাৰ আধাৰত যুগজয়ী কাব্য ৰচনা নৱকান্ত বৰুৱাৰ কাব্য সৃষ্টিত বিশেষভাৱে মন কৰিবলগীয়া বিষয়। কবিতাৰ বাবে বিশেষভাৱে প্রয়োজনীয় কাব্যগুণৰ সার্থক ৰূপায়ণে নৱকান্ত বৰুৱাক আধুনিক অসমীয়া কবিতাত এগৰাকী দিক্‌দর্শী কবি হিচাপে চিহ্নিত কৰিছে। নৱকান্ত বৰুৱাৰ কবিতাত এক সংবেদনশীল কবিমনৰ পৰিচয় পোৱা যায় আৰু ইবোৰ আধুনিক অসমীয়া কবিতাৰ পৰীক্ষামূলক পর্যায়টোৰ পৰিচায়ক। নৱকান্ত বৰুৱা মাটিৰ মানুহ আৰু মাটিৰ পৃথিৱীৰ কবি। জীৱনৰ প্রতি তেওঁৰ গভীৰ মোহ আছে। পৃথিৱীৰ মানুহৰ দুখ-কষ্ট সহানুভূতিশীল অন্তৰেৰে উপলব্ধি কৰাৰ পাছতো পৃথিৱীখনক তেওঁ ভাল পাইছে। যুক্তি, তর্ক, জ্ঞান-বিজ্ঞানৰ মজিয়াত ভৰি নিদিয়াকৈ জীৱনক তেওঁ গ্রহণ কৰিছে। পৰিণত বয়সত অৱশ্যে নৱকান্তই *ৰাৱণ, ৰত্নাকৰ* আদি ওখ খাপৰ চিন্তামূলক কবিতা ৰচনা কৰিছিল। তদুপৰি ইউৰোপৰ মহাকবি ডাণ্টেৰ কবিতাই তেওঁৰ মন বহুকেইবছৰ ধৰি নিবিষ্ট কৰি ৰাখিছিল। তেওঁ ডাণ্টেৰ মহাকাব্য *ডিভাইন কমেডি* অসমীয়ালৈ অনুবাদ কৰিছিল। কেইবাটাও পর্বৰ যোগেদি নৱকান্তৰ কাব্য-সাধনা আগবাঢ়ি গৈ আছিল।

আধুনিক অসমীয়া কবিতাৰ প্রসাৰ আৰু জনপ্রিয়তাৰ ক্ষেত্রত নৱকান্ত বৰুৱাৰ বৰঙণি মূল্যবান। কবিতাত এফালে হৃদয়বৃত্তিৰ সংযোগ আৰু আনফালে চিন্তন আৰু মননৰ প্রতি মনোযোগ আকর্ষণ কৰাৰ ক্ষেত্রত নৱকান্ত বৰুৱাক নিঃসন্দেহে অগ্রণী বুলিব পাৰি। নৱকান্ত বৰুৱা কাল চেতনাৰ কবি। যুগ পৰিৱর্তন তথা সময় প্রৱাহৰ অভিজ্ঞতাৰ কমাৰশালত হাতুৰীৰে গঢ়ি-পিটি তেওঁ সগৌৰৱে ঘোষণা কৰিছে কালপুৰুষৰ সাহসী শক্তিৰ কথা এনেদৰে—

"কালপুৰুষৰ তৰোৱালে ল'লে কেঁচা সূর্যৰ কক্ষপথত শান,
আউসী নিশাৰ উল্কাৰ জুই-আবেলিৰ কবিতাত।"

(প্রার্থনা ঃ আকাশৰ প্রতি ঃ খিৰিকিৰে)

আধুনিক অসমীয়া কবিসকলৰ ভিতৰত কেৱল নৱকান্ত বৰুৱাৰ কাব্যতে প্রথমৰ পৰা সন্ধানী দৃষ্টি আৰু সজাগ যুগ-চেতনা দেখা যায়। নৱকান্ত বৰুৱাৰ উপলব্ধিৰ গভীৰতা প্রশংসনীয়। তেওঁৰ অনুভূতিৰ গাম্ভীর্য অনুভৱ কৰি সমালোচক শৈলেন ভৰালীয়ে *আধুনিক অসমীয়া সাহিত্য ঃ দুটি তৰঙ্গ* গ্রন্থখনত এনেদৰে কৈছে— "পুঁজিবাদী সভ্যতাৰ ফলস্বৰূপে জনসাধাৰণৰ জীৱনলৈ যি নিৰাপত্তাবিহীনতা আহিছে তাৰ উপলব্ধি তেওঁৰ কবিতাত ফুটি উঠিছে। নিষ্পেষিত জনসাধাৰণৰ

জীৱন-যন্ত্রণাত কবিৰ মানসিক প্রতিক্রিয়া সুন্দৰ আৰু সংযতভাৱেপ্রতিফলিত হৈছে। হৃদয়ৰ বিশ্বাস নাইকিয়া হোৱাত, প্রাচীন মূল্যবোধৰ বিলুপ্তি ঘটাত কবিয়ে খেদ প্রকাশ কৰিছে।" জটিল জীৱন-যন্ত্রণাৰ ছবি, মানৱতাবোধ, প্রেম, মৃত্যুচেতনা, সামাজিক সমস্যা তেওঁৰ কবিতাত প্রকাশ পাইছে যদিও, ৰোমাণ্টিক ধ্যান-ধাৰণা আৰু আদর্শৰ সোঁতৰ মাজত সেইবোৰ প্রমূল্য গভীৰভাৱে সোমাই পৰিছে। ৰোমাণ্টিক কবিৰ দৰে নৱকান্ত বৰুৱা নিসঙ্গতাপ্রিয় সঁচা,কিন্তু তেওঁৰ এই নিসঙ্গতা সমাজ জীৱনে সৃষ্টি কৰা, বহির্জগতৰ গুৰু-ধ্বনিৰে মুখৰিত গভীৰ নিসঙ্গতা। প্রাচীন প্রজ্ঞা হেৰাই যোৱাত, পুৰণি মূল্যবোধৰ অনুপস্থিতিত, হৃদয়ৰ সঁচা মৰমৰ অভাৱত আধুনিক মনৰ সঙ্কীর্ণতা আঁতৰাবলৈ তেওঁ এখন বহল আকাশ বিচাৰিছে। সেয়েহে নৱকান্ত বৰুৱাৰ কবিতাৰ সামগ্রিক দিশ বিশ্লেষণ কৰি সমালোচক হীৰেন গোহাঁইয়ে *সাহিত্যৰ সত্যত* এনেদৰে কৈছে— "নৱকান্ত বৰুৱাৰ যুগ চেতনা যথার্থতে কাব্যিক, কাৰণ প্রচলিত মতবাদৰ নির্দেশ অনুসাৰে নগৈ বিশুদ্ধ সংবেদনৰ পৰিশ্রমত সি নিমগ্ন। সেয়ে তেওঁৰ হৃদয়ৰ দাম আমাৰ ওপৰত বেছি। আধুনিক সমাজ আৰু সভ্যতাৰ বা-বতাহত গঢ়ি উঠা আধুনিক মানৱপ্রাণৰ নাড়ীৰ জ্ঞান তেওঁৰ হৃদয়ৰ স্পন্দনৰ যোগেদি সম্ভৱ। এনে কবিৰ মনৰ সংযোগত আমাৰ বিপত্তিৰ ৰূপ আৰু অনুভৱ কৰা অভিজ্ঞতা আৰু অন্তৰঙ্গ হৈ উঠিব পাৰে। এই বিপত্তিৰ প্রতি মানৱ হৃদয়ৰ সকলো সঁহাৰি; মানৱীয় ঐতিহ্যৰ সকলো সমাধান উদ্‌ঘাটন কৰিব পাৰে এনে কবিৰ অন্বেষণে।" চিৰন্তন মানৱীয় মূলবোধৰ সত্যতা, ইতিহাস চেতনা আৰু সমকাল চেতনা কবি গৰাকীৰ কাব্য সৃষ্টিৰ উল্লেখনীয় বৈশিষ্ট্য। আধুনিক অসমীয়া কবিতাৰ ধাৰাটো বিশ্লেষণ কৰি চালে উপলব্ধি কৰিব পাৰি যে চল্লিশৰ দশকৰ পৰা কবি গৰাকীয়ে ৰচনা কৰা কবিতাসমূহে আধুনিক অসমীয়া কবিতাৰ ৰূপান্তৰৰ বতৰা কঢ়িয়াই আনিছে। ৰবীন্দ্র বৰাই অর্চনা পূজাৰীৰ সম্পাদনাত প্রকাশ পোৱা *অসমীয়া কবিতাৰ বিচাৰ বিশ্লেষণ* নামৰ কিতাপখনত প্রকাশিত *ৰামধেনু আৰু পৰৱর্তী কালৰ কবিতা* শীর্ষক প্রবন্ধটিত উল্লেখ কৰিছে এনেদৰে— "আধুনিক জীৱনৰ খণ্ডিত অভিজ্ঞতাক কবি নৱকান্ত বৰুৱাই বহুতো সার্থক কবিতাত প্রকাশ কৰিছে। আধুনিক সভ্যতা তথা যুদ্ধোত্তৰ যুগৰ মানৱীয় মূল্যবোধৰ সঙ্কট, বুদ্ধি আৰু অনুভূতিৰ সংঘাত, সমকালৰ চেতনা, ৰাষ্ট্রচিন্তা বিষয়ক ধ্যান-ধাৰণা কবি বৰুৱাৰ কবিতাত উমলি আছে।" ষাঠিৰ দশকত কবি নৱকান্ত বৰুৱাই *সম্রাট* আৰু *ৰাৱণ* নামৰ দুটি উল্লেখযোগ্য দীঘল কবিতা ৰচনা কৰিছে। *সম্রাট* কবিতাত প্রাচীন কাহিনীৰ ভিত্তিত যুগৰ সমস্যাক কাব্যিক ৰূপত সামৰিছে। কবিতাটো সম্পর্কত বিশিষ্ট আলোচক নলিনীধৰ ভট্টাচার্যই *নৱকান্ত বৰুৱাৰ সম্রাট কাব্য ঃ বস্তু আৰু গুণ* প্রবন্ধটিত লিখিছে— "এহাতে বুদ্ধিৰ প্রাচুর্য আৰু আনহাতে হৃদয়বৃত্তিৰ শোচনীয় দাৰিদ্র্য— ইয়াৰ বাবে ৰাষ্ট্রসত্তা আজি উন্মাদ, অন্ধ আৰু ৰক্তপিপাসু। এনে উন্মাদ ৰাষ্ট্রৰ পুনৰ নির্মাণৰ প্রশ্নই *সম্রাট* কাব্যৰো সমস্যা।" উত্তপ্ত বতাহ আৰু অশান্তিৰ *বর্ষাৰ সঙ্কেত লৈ* ৰাষ্ট্রসত্তা নিতৌ ঘর্মাক্ত। এই পৰিস্থিতিৰ ৰূপায়ন ঘটিছে এনেদৰে—

"মই ভাবোঁ, মই যে সম্রাট
যদিওবা ৰাজ্য মোৰ নির্বিকাৰ মানচিত্র
বিধৰাৰ সীমান্তৰে আঁকা।

সৈন্যবল স্থবিৰ, প্রজাৰ লগত সম্বন্ধ অহিনকুল
মই পিতা,
যদিওবা মোৰ পুত্র হঠাৎ চকুত আহি পৰা
উৰণীয়া চিতাৰ কুকুহা।" (সম্রাট)

যুগ-চেতনা, সমাজ, বাস্তৱতা আৰু বৌদ্ধিক জিজ্ঞাসাৰ সমন্বয়ত নৱকান্ত বৰুৱাৰ কবিতাই এটি নতুন ৰূপ লাভ কৰিছে। ইতিহাস-চেতনা নৱকান্ত বৰুৱাৰ কবিতাৰ এটা বিশেষ গুৰুত্বপূর্ণ দিশ। বুৰঞ্জীৰ বিৱর্তনৰ তত্ত্বৰ প্রতিও তেওঁ আগ্রহী আছিল। অসম বুৰঞ্জীৰ ঘটনাৱলীয়ে তেওঁৰ কবিতাত অনুৰণন তুলিছিল। ইতিহাস-চেতনাই সমাজখনক বিশেষ দৃষ্টিভঙ্গীৰে চাবলৈ প্রেৰণা যোগাইছিল। এই প্রসঙ্গত নৱকান্তৰ দুটা উৎকৃষ্ট কবিতা *পলস* আৰু *ধনশিৰি* নাম উল্লেখযোগ্য। তেওঁৰ দুখন উৎকৃষ্ট মানৰ উপন্যাস *ককাদেউতাৰ হাড়* আৰু *গৰমা কুঁৱৰী* অসমৰ বুৰঞ্জীমূলক সমলেৰে পুষ্ট। বস্তুনিষ্ঠ দৃষ্টিভঙ্গীৰে আধুনিক সভ্যতাই সৃষ্টি কৰা জীৱনৰ বস্তুবাদী প্রমূল্যসমূহক তেওঁ অস্বীকাৰ কৰিছে— সভ্যতাৰ অৱক্ষয় দেখি শোকৰ অনুৰণন তুলিছে। নৱকান্তৰ মানসিক দ্বন্দ্ব সৃষ্টিৰ মূল কাৰণ এয়ে যে এফালে যুক্তিবাদী দর্শনক তেওঁ মানুহৰ কল্যাণকামী বুলি ভাবিব পৰা নাই, আনফালে পৰম্পৰাগত ধর্মীয় বিশ্বাসৰ মাজতো আশ্রয় ল'ব পৰা নাই। ইয়াৰ ফল স্বৰূপে কবি হৃদয়ত অন্তর্দ্বন্দ্বৰ সৃষ্টি হৈছে আৰু এক গভীৰ মানসিক দ্বন্দ্বৰ মাজত কবিয়ে বিশ্বৰ নানান জটিল অথচ মানৱীয় প্রশ্নক কবিতাৰ মাজলৈ লৈ আহিছে। নৱকান্ত বৰুৱাৰ কবিতাৰ বিষয়বস্তু সম্পর্কত ইমদাদ-উল্লাহে *সৃজন আৰু মনন*ত এনেদৰে কৈছে— "বর্তমান সভ্যতাৰ পটভূমিত দেখা দিয়া মূল্যবোধৰ সঙ্কট, বিশ্বাস, অবিশ্বাস, যুক্তি আৰু অযুক্তিৰ, বুদ্ধি আৰু অনুভূতিৰ দ্বন্দ্ব, কাল-চেতনা আৰু ৰাষ্ট্রচিন্তা, ইত্যাদি বিষয়বোৰেই তেওঁৰ কবিতাৰ ঘাই উপজীব্য।" জীৱনলৈ ক্রমশঃ আহি পৰা অৱক্ষয়, ক্ষয়িষ্ণুতা আৰু ইয়াৰ ফলশ্রুতিত সমাজ জীৱনলৈ নামি অহা আত্মিক মৃত্যুৰ ছবি কবিয়ে *ইয়াত নদী আছিল* কবিতাটিত অতি সুন্দৰভাৱে প্রকাশ কৰিছে—

"কিন্তু মৰুভূমি আহে
লাহে লাহে মাহে মাহে বছৰে বছৰে
আঁহতৰ খোৰোঙত এপাহি কপৌ ফুল সোনকালে সৰে
গোপন ব্যাধিৰ দৰে লাহে লাহে মচি নিয়ে
প্রাণৰ যিমান ৰং সেউজী সোণালী
আঁকি দিয়ে তামৰঙী এখন আকাশ আৰু
ফুট ছাঁই বৰণৰ এখন পৃথিৱী।" (ইয়াত নদী আছিল)

নৱকান্ত বৰুৱাৰ প্রথম কাব্য পুথি *হে অৰণ্য হে মহানগৰ* ১৯৫১ চনত প্রকাশ পায়। ক'বলৈ গ'লে ইয়াৰ লগে লগে আধুনিক অসমীয়া কবিতাৰ প্রৱাহৰ সুঁতি সলনি হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ কবি নৱকান্ত বৰুৱাৰ কাব্যচিন্তাৰ বিষয়ে চমুকৈ লিখক। (১৫০টা শব্দৰ ভিতৰত)

১২.৪ *বোধিদ্রুমৰ খৰি*

১২.৪.১ কবি পৰিচয়

আধুনিক অসমীয়া কবিতাক সুপ্রতিষ্ঠিত কৰাত আৰু জনপ্রিয়তা বঢ়োৱাত যিসকল কবিয়ে আগভাগ লৈছিল সেইসকলৰ ভিতৰত কবি নৱকান্ত বৰুৱাৰ (১৯২৬-২০০২) স্থান আগশাৰীত। এই গৰাকী কলংপৰীয়া কবিয়ে কলিকতাৰ শান্তি নিকেতন (বিশ্বভাৰতী) আৰু আলিগড় মুছলিম বিশ্ববিদ্যালয়ৰ পৰা উচ্চ শিক্ষা লাভ কৰিছিল। প্রথমে শিকোহাবাদ এ.কে. কলেজ আৰু যোৰহাট জে.বি. কলেজত অলপ দিনৰ বাবে শিক্ষকতা কৰি পাছত কটন কলেজৰ ইংৰাজী বিভাগত স্থায়ীভাৱে শিক্ষকতা কৰে আৰু তাৰে পৰাই অৱসৰ গ্রহণ কৰে। নৱকান্ত বৰুৱাৰ প্রথমখন কবিতা পুথি *হে অৰণ্য, হে মহানগৰ* । প্রকাশ পায় ১৯৫১ চনত। অন্যান্য কাব্য গ্রন্থসমূহ হ'ল— *এটি দুটি এঘাৰটি তৰা* (১৯৫৮), *যতি আৰু কেইটিমান স্কেচ্* (১৯৬০), *সম্রাট* (১৯৬২), *ৰাৱণ* (১৯৬৩), *মোৰ আৰু পৃথিৰীৰ* (১৯৭০), *ৰত্নাকৰ আৰু অন্যান্য কবিতা* (১৯৮৩), *এখন স্বচ্ছ মুখাৰে* (১৯৯০), *সূর্যমুখীৰ অঙ্গীকাৰ* (১৯৯০), *নৱকান্ত বৰুৱাৰ কবিতাৱলী* (১৯৯৪), *ৰাতি জিলমিল তৰা জিলমিল* (১৯৯৯), আৰু *দলঙত তামীঘৰা* (২০০০)। এই কাব্য গ্রন্থসমূহৰ মাজেৰে নৱকান্ত বৰুৱাই নতুন ছন্দ, অভিনৱ বিষয়বস্তু, নতুন আঙ্গিক, প্রতীক আৰু কল্পচিত্রৰ আস্বাদ অসমীয়া পাঠকলৈ আগবঢ়াইছিল।

ঘাইকৈ কবি হিচাপে পৰিচিত যদিও নৱকান্ত বৰুৱা একাধাৰে কবি, ঔপন্যাসিক, শিশু-সাহিত্যিক, গীতিকাৰ তথা অনুবাদক। তেওঁৰ কেইখনমান উল্লেখযোগ্য গ্রন্থৰ ভিতৰত— *কপিলীপৰীয়া সাধু, ককাদেউতাৰ হাড়, গড়মা কুঁৱৰী* আদি উপন্যাস; *শিয়ালী পালেগৈ ৰতনপুৰ, আখৰৰ জখলা, ভ-ত উ-কাৰে ভু, মই টুনীয়ে টুনটুনালোঁ* আদি শিশু গ্রন্থ; অনুবাদ গ্রন্থ— *বিশ্বমানৱৰ অভিমুখে, হুইটমেনৰ এশ কবিতা, ভাস্কো পপা আৰু অন্যান্য য়ুগোশ্লাভিয়া কবিৰ কবিতা, গে'টৈৰ ফাউষ্ট*; আলোচনামূলক গ্রন্থ— *অসমীয়া ছন্দ শিল্পৰ ভূমিকা* আৰু *কবিতাৰ দেহবিচাৰ*; গীতৰ সঙ্কলন *মনৰ খবৰ, আহত মৰাল* ইত্যাদিৰ নাম উল্লেখ কৰিব পাৰি। ইয়াৰে *ককাদেউতাৰ হাড়* উপন্যাসৰ বাবে ১৯৭৫ চনত তেওঁ সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল।



জানি থোৱা ভাল

নৱকান্ত বৰুৱাই ১৯৯০ চনত বিশ্বনাথ চাৰিআলিত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ ষট্‌পঞ্চাশতম্ অধিৱেশনত সভাপতিত্ব কৰিছিল। *মোৰ আৰু পৃথিৱীৰ* কাব্য-সঙ্কলনটিৰ বাবে 'অসম প্রকাশন পৰিষদ বঁটা' আৰু *আহত মৰাল* শীর্ষক গ্রন্থৰ বাবে 'ছোভিয়েট দেশ-নেহৰু বঁটা' লাভ কৰিছিল।

১২.৪.২ কবিতাটিৰ মূল পাঠ

বোধিদ্রুমৰ খৰি

'As long as there are fools in the
world, there will be hope' –G. B. S.
পৃথিৱীক কোনে ভাল পালে,
কাৰ প্রেমে কষটিক কোনো চিন দিব নোৱাৰিলে
তাৰ
জমা-খৰচৰ বহী লিখোঁতে অকলে
দ্বিধাৰ বতাহ আহি উৰা বাতৰিৰে
মোৰ জীৱনৰ খিৰিকি কঁপালে;
প্রদীপৰ শিখা নকঁপিল।

জীৱন গলাই জ্বলা মমবাতি শিখাৰ মাজত
তোমাৰ শৰীৰ জ্বলে, অমিতাভ, জ্ঞান জ্বলে।
জ্ঞান স্থিৰ-মৃত্যুৰ বতাহে যাৰ শিখা নকঁপায়।
জ্ঞান জ্বলে। হেজাৰ বসন্ত পুৰি ছগাক চঞ্চল কৰা
মমৰ পোহৰ জ্বলে মউমাখি গোলাপৰ প্রেমৰ ক্লীবতা জ্বলে।

জ্ঞান জ্বলে। সিপাৰত
গছ নীলা কুৰুৱা পাহাৰ জ্বলে। জ্ঞান স্থিৰ।
জ্ঞান ধ্রুব। জ্ঞান মৃত্যু। নিজে নির্বিকাৰ
তাৰ অখণ্ড শিখাই আমাৰ উশাহ পোৰে।
প্রেম পোৰে। (পুৰণি ধূপৰ দৰে ধোঁৱাৰে
কবিতা আঁকি মায়া গঢ়ে— সুৰভি নিদিয়ে)
স্মৃতি পোৰে।
লাজ পোৰে প্রথমা প্রিয়াৰ।

ভোগালীৰ মেজি পোৰা গৰখীয়া ল'ৰাটিৰ
বহাগী সপোন পোৰে।
শিশুৰ মুখৰ হাঁহি পুৰি কৰে ৰেলত হকাৰ।

পোহৰত শান্তি নাই; অগ্নিত আশ্রয় নাই;
সীহ পুৰি সোণ কৰা জীৱনৰ মেজিক বঞ্চনা।

আমাৰ কাৰণে যদি শান্তি আছে
আশা আছে--
চিৰশিশু মানুহৰ মহা-মূঢ়তাত;
তামোলৰ পিকসনা আইতাৰ জধলা চুমাত।
আমাৰ কাৰণে শান্তি
জীৰিকাত জীৱনৰ আবিৰ সানিব খোজা এমুঠি মৰম।
আমাৰ কাৰণে শান্তি
পোনাটি বুকুত লৈ
ভাগৰুৱা শেতেলীত
পকোৱা মুগাৰে বোৱা লখিমীৰ ঘাম-চেঁচা ছাল।

১২.৪.৩ কবিতাটিৰ বিষয়বস্তু

কবি নৱকান্ত বৰুৱাৰ অন্যতম সার্থক কবিতা *বোধিদ্রুমৰ খৰি*। এই কবিতাটিত কবিয়ে বুদ্ধৰ জ্ঞান, ঐতিহ্য আৰু ধ্যান-ধাৰণাক আধুনিক সভ্যতা আৰু সেই সভ্যতাই সৃষ্টি কৰা যুগ-মানসৰ দ্বিধা আৰু সংশয়ৰ আধাৰত বিচাৰ কৰি চাইছে। কবিতাৰ শিৰোনামটি বিশেষভাৱে তাৎপর্যপূর্ণ। বোধিদ্রুমক যুগ যুগ ধৰি মহিমামণ্ডিত সম্পদ বুলি গণ্য কৰি অহা হৈছে। এনেকুৱা এজোপা দ্রুমৰ ক্ষুদ্র ক্ষুদ্র ধ্বংসাৱশেষৰ স্বৰূপ খৰিৰ কথা কল্পনা কৰি কবিয়ে বোধিদ্রুমৰ মহিমা অস্বীকাৰ কৰাৰ প্রৱণতা দেখুৱাইছে। যিহেতু খৰিৰ ব্যৱহাৰ দহন কার্যৰ বাবে, সেই হেতুকেই কবিয়ে দহন প্রক্রিয়াটোক এলানি চমৎকাৰ চিত্রকল্পৰ যোগেদি বর্ণনা কৰিছে। তাৰ পাছত কবিয়ে এই কথা সূচাইছে যে বোধিদ্রুমৰ অমিত আভা ক্ষণভঙ্গুৰ নশ্বৰতাৰ অনুকুলে নহয়। জ্ঞান ধ্রুব আৰু সেই জ্ঞানে আমাৰ মৃত্যু-চেতনা প্রকট কৰি তোলে। আলোকময় বহ্নি স্বৰূপ জ্ঞানে আমাক শান্তি দিব নোৱাৰে। মৃত্যুৰ বতাহে যি জ্ঞানৰ শিখা নকঁপায় সেই জ্ঞানে আমাৰ বাবে মৃত্যুৰ সঙ্কেটহে বহন কৰে। (কবিতাটো তৃতায় স্তৱকটোৰ তৃতীয় শাৰীটোৰ 'জ্ঞান-মৃত্যু' কথাটো মন কৰিবলগীয়া।)

সেইবাবে কবি এই সিদ্ধান্তলৈ আহিছে যে মানুহৰ মুঢ়তাতে মানুহৰ বাবে শান্তি আছে। 'আইতাৰ জধলা চুমা' আৰু মমতাময়ী মাতৃৰ অপত্য স্নেহতে আমাৰ শান্তি

নিৰূপিত। আধুনিক জীৱন, সমাজ আৰু সমাজ-জীৱনে প্রগাঢ় কৰা ধ্যান-ধাৰণাৰ দৃষ্টি আৰু দর্শন, বুদ্ধৰ জ্ঞান আৰু সত্যৰ অন্বেষণতকৈ, চেতনা, বোধ আৰু প্রজ্ঞাতকৈ যে বহুতো ক্ষেত্রতে বেলেগ— সেই চিন্তা-দর্শনে কবিতাটিত প্রাধান্য পাইছে। পৃথিৰীক পৃথিৰীৰ মানুহক ভাল পাইছিল বুদ্ধই। মানুহৰ দুখ-কষ্ট, ৰোগ-শোক, জৰা-মৃত্যু আদিৰ যন্ত্রণাবোধে বুদ্ধৰ জীৱনক এক নতুন গতিপথৰ সন্ধান দিছিল। মানুহৰ বাবে আগবাঢ়ি অহা দুখ আৰু কষ্টৰ প্রকৃত কাৰণ উপলব্ধি কৰাৰ বাবে বুদ্ধই অনুসৰণ কৰিছিল বোধি অর্থাৎ জ্ঞানান্বেষণৰ পথ। এই পথৰ সাধনাত নিমগ্ন বুদ্ধই মানুহৰ বাবে সন্ধান কৰিছিল নির্বাণৰ। বাৰে বাৰে সংসাৰ-চক্রৰ আৱর্তত মানুহৰ জীৱনক পাকঘূৰণি খাবলৈ নিদি, মায়া-মোহৰ পার্থিৱ জগতৰ মৰীচিকাসদৃশ ভোগ-বাসনাক আঁতৰাই ৰাখি জীৱন-মুক্তিৰ সন্ধানত বুদ্ধই হৃদয়ৰ সত্য উপলব্ধিৰ ধ্যানত বহিছিল— বোধিদ্রুমৰ তলত। সেই বোধিদ্রুমে বুদ্ধক মানুহৰ মুক্তি পথৰ সন্ধান দিলেও বুদ্ধৰ পৰৱর্তী সমাজ আৰু সভ্যতাই তাক বুদ্ধৰ চিন্তাধাৰাৰ সৰল অভিজ্ঞানেৰে গ্রহণ নকৰিলে। যুগৰ দ্বিধা আৰু সংশয়ে বুদ্ধৰ দর্শনৰ জ্ঞান-মুদ্রা যেন ইপিঠি-সিপিঠি কৰি দিলে।

আধুনিক সভ্যতাই, নগৰকেন্দ্রিক যান্ত্রিক সভ্যতাই মানুহৰ মুক্তিৰ বাবে এত্রে এক পৰিৱেশ আৰু পৰিস্থিতি ৰচনা কৰিলে যাৰ মাজত প্রতিটো ক্ষণতে জীৱনক হিচাপ কৰা হ'ল জমা-খৰছ, যোগ-বিয়োগৰ আধাৰশিলাত। এনে হিচাপ-নিকাচৰ মাজত সোমাই পৰাৰ ফলশ্রুতিত মানুহৰ মুক্তিৰ সেই সাত্তিক পথত আউল লাগিল। সমাজ-জীৱনত সোমাই পৰা সংশয়, দ্বিধা আৰু তাক কেন্দ্র কৰি ক্রিয়া কৰা অর্থহীন জীৱন-পৰিক্রমাই মানুহৰ জীৱনক আলোড়িত কৰিলে। বোধিদ্রুমৰ সেই চিৰ প্রৱহমান অনন্ত শিখাই আধুনিক জীৱনৰ প্রদীপ-শিখা কঁপাব নোৱাৰিলে।

তথাপিও কবি হৃদয়ত বুদ্ধৰ জ্ঞানৰ চাকি অনির্বাপিত। জীৱনৰ সাত্তিক অন্বেষণত, পোহৰৰ সন্ধানত, মানুহৰ মাজত কবিয়ে বিচাৰি পায় বুদ্ধৰ বোধিদ্রুমৰ তলত উজ্বল হৈ উঠা শৰীৰৰ জ্ঞানমুগ্ধ উজ্বলতা; পায় জ্ঞানৰ সন্ধান। এনে প্রসঙ্গত কবিয়ে জ্ঞানৰ স্থিতিৰ মূল্যায়নৰো প্রয়াস কৰিছে। চিৰন্তন সময়ৰ গতি-প্রৱাহত জ্ঞান-স্থিতপ্রজ্ঞ, মৃত্যু আৰু ধ্বংসই তাৰ শিখা কঁপাব নোৱাৰে। জ্ঞান চিৰ-উজ্বল, অনির্বাপিত তাৰ ব্যাপ্তি। কিন্তু সেই স্থিৰ জ্ঞানৰ স্পন্দনে যেন বিমুগ্ধ কৰিছে আধুনিক সভ্যতাৰ বোধিবৃক্ষ। সেই জ্ঞানৰ প্রজ্বলিত শিখাই যুগে যুগে মানুহৰ কামনা-বাসনাক চঞ্চল কৰি তুলিছে— মমৰ পোহৰ সদৃশ জ্ঞানৰ শিখাই যেন মৌমাখি আৰু গোলাপৰ অর্থহীন ক্লীৱতা স্বৰূপ প্রেমৰ বার্তাহে বহন কৰিছে।

আধুনিক সভ্যতা, সভ্যতাই সৃষ্টি কৰা মায়া-মোহৰ ভৰত আক্রান্ত সেই জীৱনৰ জ্ঞান-যাত্রাত বুদ্ধই দেখুওৱা বোধিদ্রুমৰ সাধনা কিন্তু এক অনির্বাপিত ৰূপ-সৌন্দর্যৰে উজ্বল। ইপাৰৰ জ্ঞান-সমুদ্রৰ ঢৌত কম্পিত মমবাতিৰ পোহৰ সদৃশ জ্ঞানে সিপাৰত উজ্বলাই তোলে গছ-নীলা কুৰুৱা পাহাৰ। অস্থিৰতাত চঞ্চল হৈ পৰা আধুনিক যুগ-

মানসৰ জ্ঞান, সিপাৰত, বুদ্ধই দেখুওৱা পথত স্থিৰ, নিশ্চিত, দৃঢ়, অলৰ-অচৰ। আনহাতে, সভ্যতাই জোকাৰি যোৱা পৃথিৱীৰ জীৱন প্ৰৱাহত জ্ঞানৰ স্বৰূপ মুত্যুৰ দ্বাৰা উদ্ভাসিত। জ্ঞান অখণ্ড; নিজে বিকাৰহীন, অথচ তাৰ অখণ্ড শিখাই আমাৰ জীৱনক দাহন কৰে। প্ৰেমৰ স্থায়িত্ব এই পৃথিৱীত নাই। ইয়াত প্ৰেম অখণ্ড, অদাহ্য নহয়; আন সাধাৰণ বস্তু দাহন হোৱাৰ দৰে প্ৰেমৰো স্থিতিৰ দাহন হয়। প্ৰেমে মানুহক দিব নোৱাৰে জীৱনৰ প্ৰকৃত সুৰভি। যেনেদৰে ধূপ পুৰণি হ'লে তাৰ সৌৰভ হেৰুৱায়, তেনেদৰে এই পার্থিৱ জগতত প্ৰেম পুৰণি হোৱা গোন্ধহীন, নিষ্প্ৰভ ধূপ। তাত ধোঁৱা আছে, অথচ ধোঁৱাই বিকিৰিত কৰা স্বাভাৱিক গোন্ধ নাই। মাথোঁ ধোঁৱাৰ মায়া, জীৱনৰ গোন্ধহীন মমতাত প্ৰৱাহিত হৈ থাকে প্ৰেম, যিয়ে পুৰণি স্মৃতি পুৰিব পাৰে, ধ্বংস কৰিব পাৰে। বুদ্ধৰ প্ৰয়াস আৰু সিদ্ধি, মায়াৰে আক্ৰান্ত এই পৃথিৱীত সেই প্ৰেমৰ সন্ধান নাই। ইয়াত প্ৰেমৰ স্মৃতি সৌৰভশালী নহয়, স্মৃতি পোৰে। স্মৃতিয়ে সৃষ্টি কৰে যন্ত্ৰণাদগ্ধ জীৱনৰ ৰূপৰেখা। স্থূল, দেহজ কামনা-বাসনাৰ আধাৰত প্ৰথমা প্ৰিয়াৰ লাজ পুৰিব পৰা শক্তি এই পৃথিৱীৰ প্ৰেমৰ গতিপথত আছে। প্ৰেম, জ্ঞান, ইত্যাদি বিষয়সমূহৰ লালসাত মত্ত জীৱনৰ স্বৰূপে ভোগালীৰ মেজি পোৰা গৰখীয়া ল'ৰাটিৰ নিভাঁজ জীৱন-যৌৱন (ব'হাগী) বাসনাই দগ্ধ কৰে। শিশুৰ প্ৰেমৰ স্বৰ্গীয় জ্যোতি পৃথিৱীৰ বুকুত হেৰাই যায়। শিশুৰ মুখৰ স্বৰ্গীয় শান্তি বার্তা নিঃশেষ হৈ যায় জীয়াই থকাৰ তাড়নাত— 'শিশুৰ মুখৰ হাঁহি পুৰি কৰে ৰে'লত হকাৰ'। ইয়াত অর্থাৎ মানুহৰ পৃথিৱীত পোহৰৰ যি শান্তি আশ্ৰয়— তাক বিচাৰিলে পোৱা নাযায়, অগ্নিত আশ্ৰয় কৰি পুৰি দগ্ধ কৰিব নোৱাৰি আধুনিক সভ্যতাই সৃষ্টি কৰা বঞ্চনাৰ ইতিহাস; জীৱন সুবর্ণময় নহয়, বৰং সীহ পুৰি সোণ সৃষ্টি কৰিবলৈ বিচৰা এক প্ৰতাৰণা, বঞ্চনাৰ ৰূপহে প্ৰকাশিত হয়। বুদ্ধৰ নির্বাণ মুখৰ, চিৰ প্ৰজ্বলিত, চিৰ উদ্ভাসিত আৰু অনির্বাপিত জীৱনৰ এই বঞ্চনাৰ স্বৰূপ উপলব্ধি কৰি কবি নিশ্চিত যে মানুহৰ পৃথিৱীৰ এই প্ৰেম ভালপোৱাত, জটিলতা মিশ্ৰিত এই জীৱনৰ সংজ্ঞা আৰু তাৰ প্ৰকাশত থাকিব নোৱাৰে শান্তিৰ বতাহ, নাই আশাৰ আশ্ৰয়। আধুনিক যুগ-মানসৰ পদে পদে বিৰাজ কৰা এই সংশয়, দ্বিধাত কবিয়ে আস্থা স্থাপন কৰিব পৰা নাই। সেয়েহে কবিয়ে সৰলতাত আশ্ৰয় বিচাৰিছে। গ্ৰাম্য জীৱন অথবা সৰলতা আশ্ৰয়ী সাধাৰণ মানুহৰ সৰলতাৰ পৃষ্ঠভূমিত থকা শাশ্বাত শক্তিত বিচাৰিছে আশাৰ সন্ধান; বিচাৰি পাইছে সেই সৰলতাক হৃদয়ত লৈ বিচৰণ কৰা চিৰ শিশু স্বৰূপ মানুহৰ নির্বোধ, অজ্ঞতাত শান্তিৰ, সুবিমল আশ্ৰয়।

এই পৃথিৱীত মানুহৰ শান্তিৰ স্বৰূপ জীৱন আৰু জীৱিকাৰ আধাৰত প্ৰোথিত। জীৱিকাত জীৱনৰ ফাকু খেলিব খোজা এমুঠি মৰমতে আধুনিক সভ্যতাৰ ফচল কবিয়ে শান্তি বিচাৰে। সাংসাৰিক জীৱনৰ মায়া-মমতাত দগ্ধ মানুহে শান্তিক আশ্ৰয় কৰি লয় পোনাটিক বুকুত লৈ শুই পৰা শেতেলীত; ভাগৰুৱা নিদ্ৰাই বহন কৰে আধুনিক সভ্যতাৰ শান্তিৰ পোতাশ্ৰয়। যি শেতেলীত নিহিত হৈ আছে সাংসাৰিক মায়া-মোহত আবদ্ধ-পকোৱা মুগাৰে বোৱা লখিমীৰ ঘাম চেঁচা ছালৰ ইন্দ্ৰিয়গ্ৰাহ্য ৰূপ। এনেদৰে আধুনিক সভ্যতা,

দ্বিধা, সংশয়ৰ মাজত চিৰন্তন শান্তি বার্তা হেৰাই যোৱাত, বুদ্ধৰ দর্শনৰ সাত্ত্বিক স্থিতি লুপ্ত হোৱাত কবি মনত উত্থাপিত মৃদু এক বিষাদবোধ কবিতাটিত ব্যঞ্জিত হৈছে। যি বুদ্ধই মানুহৰ বাবে বিচাৰিছিল প্রেম, অহিংসা আৰু শান্তিৰ বার্তা তাৰ এক অৱক্ষয়িত ৰূপ কবিতাটিত সার্থকভাৱে ব্যঞ্জিত হৈছে। নশ্বৰ মানুহ আৰু বিপৰীতে জ্ঞান— এনে ভাৱনাৰ ব্যাখ্যাৰ অন্তত মানুহৰ মূঢ়তাক শান্তিৰ নিলয় বুলি প্রকাশ কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ নৱকান্ত বৰুৱাৰ কবিতাৰ *বোধিদ্রুমৰ খৰ্ব্বি* বিষয়বস্তু সম্পর্কে এটি চমু আলোচনা আগবঢ়াওক।

(১৫০টা শব্দৰ ভিতৰত লিখক।)

১২.৪.৪ কবি হিচাপে নৱকান্ত বৰুৱাৰ মূল্যায়ন

ৰামধেনু যুগৰ শক্তিশালী কবি নৱকান্ত বৰুৱা। স্বকীয় জীৱন-উপলব্ধি, সামাজিক চিন্তা-চেতনা মূল্যায়ন প্রয়াসী মনৰ অধিকাৰী, জীৱন অন্বেষণ আৰু কাব্য কৌশলৰ জৰিয়তে আধুনিক অসমীয়া কবিতালৈ এক নতুন দৃষ্টিভঙ্গী বোৱাই অনাত কবি নৱকান্ত বৰুৱাৰ ভূমিকা অনবদ্য। *জয়ন্তী* যুগতে কবি হিচাপে আত্মপ্রকাশ কৰা কবি নৱকান্ত বৰুৱাৰ কবিতাই *ৰামধেনু* যুগত আধুনিকতাৰ বিস্তৃতিত বিশেষ ইন্ধন যোগাইছে। অসমীয়া কবিতাৰ বিষয়বস্তু আৰু আঙ্গিকত আধুনিকতাৰ সঞ্চাৰ কৰাত নৱকান্ত বৰুৱাৰ অৱদান উল্লেখযোগ্য। এই গৰাকী কবিৰ কাব্যজীৱনৰ প্রথম সৃষ্টি *হে অৰণ্য হে মহানগৰ* কবিতা পুথিখনিৰ বিশ্লেষণ কৰি সত্যেন্দ্রনাথ শর্মাই *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত* এনেদৰে লিখিছে— "তেওঁৰ *হে অৰণ্য, হে মহানগৰক* বর্তমান সমাজৰ অৱক্ষয় আৰু বীভৎসতাত শ্বাসৰুদ্ধ হৈ কেতিয়াবা আধ্যাত্মিকতাত আশ্রয় লোৱাৰ ইঙ্গিত, কেতিয়াবা নতুন দিনৰ কাৰণে অপেক্ষাৰত আৰু কেতিয়াবা সমাজবাদী আদর্শক স্বাগত জনাইছে, যদিও দ্বিধা, সঙ্কোচ আৰু ত্রিশংকুতাত তেওঁৰ মন দোদুল্যমান। সামাজিক অৱক্ষয়, জীৱনৰ কুটিল-গ্লানিময় প্রৱাহে কবিৰ মনলৈ তিক্ততা আনিলেও আৰু সময় বিশেষে ছিন্নমূল ধাৰণা কৰিলেও নৱকান্ত বিচ্ছিন্নতাবাদী বা নিৰাশাবাদী নহয়।" এইজনা কবিৰ কবিতাৰ সামগ্রিক দিশ বিশ্লেষণ কৰি ইমদাদ উল্লাহে ৰজনীকান্ত দেৱশর্মা সম্পাদিত *বিশ্বকোষত* এনেদৰে লিখিছে— "কুৰি শতিকাৰ আধুনিকতাৰ অনুগামী ভাষা, বাকভঙ্গী আৰু ছন্দৰ নানা অভিনৱ পৰীক্ষাই নৱকান্ত বৰুৱাৰ কবিতাক অসমীয়া নতুন কাব্যধাৰাত অগ্রদূতৰ মর্যাদা দিছে। কিছু পৰিমাণে এলিয়টীয় বাকভঙ্গীৰ প্রভাৱ আৰু ৰবীন্দ্রনাথ ঠাকুৰ সৃষ্ট সাঙ্গীতিক লয় আৰু ধ্বনি নৱকান্ত বৰুৱাৰ কবিতাৰ বৈশিষ্ট্য। প্রতীক আৰু চিত্রকলা-প্রধান ভাষাৰ প্রয়োগ, কোনো কোনো কবিতাত (যেনে— *পলস*) পোৱা সংহত, ভাব ঘন প্রকাশভঙ্গী,

ৱাৱণ আৰু *সম্ৰাট* শীৰ্ষক দীঘলীয়া কবিতা দুটাত বহল বিষয়ৰ অনুসন্ধান— এইবোৰে নৱকান্ত বৰুৱাক মহাযুদ্ধোত্তৰ যুগৰ কাব্যধাৰাৰ এগৰাকী প্ৰভাৱশালী, মুখ্য পথিকৃৎ স্বৰূপে প্ৰতিষ্ঠা দান কৰিছে।"

বোধিদ্রুমৰ খৰি কবিতাটিৰ আধাৰত নৱকান্ত বৰুৱাৰ মূল্যায়ন সম্ভৱ। নৱকান্ত বৰুৱাৰ অন্যতম গভীৰ দাৰ্শনিক চিন্তা-চেতনা প্ৰৱাহিত সাৰ্থক কবিতা। *বোধিদ্রুমৰ খৰি* কবিতাটিত কবিয়ে বুদ্ধৰ জীৱন আৰু দৰ্শনক, চিন্তা আৰু প্ৰজ্ঞাক আধুনিক জীৱনৰ পটভূমিত বিচাৰ কৰি চাবলৈ যত্ন কৰিছে। বুদ্ধই পৃথিৱীক ভাল পাইছিল। সেই ভালপোৱাই পৃথিৱীৰ মানুহৰ বাবে তেওঁক জীৱনৰ মায়া-মমতা এৰি মুক্তিৰ সন্ধান নিমগ্ন কৰিছিল। মায়া-মোহত আৱদ্ধ, অজ্ঞান-বন্দী মানুহৰ বাবে বুদ্ধই সাধনাত নিমগ্ন হৈছিল। তেওঁৰ সেই গভীৰ সাধনা, ঐকান্তিক তপস্যা আৰু মুক্তিৰ সন্ধানে অহিংসা মন্ত্ৰেৰে দীক্ষিত হৈ মানুহৰ বাবে লৈ আহিছিল জ্ঞানৰ অন্বেষণ বাৰ্তা। মনৰ পৱিত্ৰতা, হৃদয়ৰ আকুলতা আৰু প্ৰজ্ঞা-চেতনাই বুদ্ধৰ জ্ঞানান্বেষণ সাৰ্থক কৰি তুলিছিল। মানুহৰ মাজলৈ বুদ্ধই লৈ আহিছিল মহত্ত্বম অৰ্থ— ***নিৰ্ৱাণ*** লাভৰ প্ৰকৃত উপায়। যুগ আৰু সত্যৰ বাহক বুদ্ধৰ জীৱনৰ এই অমোঘ বাণীয়ে অমৃতৰ সন্ধান যোগালেও আধুনিক সভ্যতাত বুদ্ধৰ চিন্তা-চেতনা পুৰিলে উজ্বল হোৱা, ঘঁহিলে নিৰ্মল হোৱা প্ৰেমৰ সোণালী বাৰ্তা বহন কৰিব নোৱাৰিলে। সেই সাত্তিক অন্বেষণৰ যাত্ৰাত আধুনিক মানসৰ সংশয় আৰু দ্বিধা, সঙ্কোচ আৰু অনিশ্চয়তাই ক্ৰিয়া কৰিলে।আধুনিক সভ্যতাই আজি যি জ্ঞানৰ অন্বেষণ আৰু বিতৰণৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে তাত হিচাপ-নিকাচ, জমা-খৰচ, লাভ-লোকচানৰ চিন্তাইহে অধিক প্ৰাধান্য পোৱাৰ ফলত সেই সত্য অন্বেষণৰ স্থিতি সাৰ্থক ৰূপত বিস্তাৰিত নহ'ল। আধুনিক যুগ-মানসৰ যি সামগ্ৰিক যান্ত্ৰিক, ভোগবাদী আগ্ৰাসন সিয়ে উৰা-বাতৰিৰ দৰে মূল্যহীনভাৱে আহি কবিৰ জীৱনৰ হৃদয়-খিৰিকি কঁপালে। বুদ্ধৰ জ্ঞানৰ যি নিৰ্যাস, সাধনাৰ যি মহত্ব, সত্য অনুসন্ধানৰ একাগ্ৰতাৰ যি আলোক— সিয়ে জ্ঞানৰ প্ৰদীপ শিখাক আলোড়িত কৰিব নোৱাৰিলে। মানুহৰ বাবে বুদ্ধৰ সেই জ্ঞানময় বাৰ্তাই দিব নোৱাৰিলে অন্তৰ জাগ্ৰত কৰা জীৱনবোধৰ সন্ধান—

"পৃথিৱীক কোনে ভাল পালে,
কাৰ প্ৰেমে কষটিত কোনো চিন দিব নোৱাৰিলে
তাৰ
জমা খৰচৰ বহী লেখোঁতে অকলে
দ্বিধাৰ বতাহ আহি উৰা বাতৰিৰে
মোৰ জীৱনৰ খিৰিকি কঁপালে;
প্ৰদীপৰ শিখা নকঁপিল।"

আধুনিক সভ্যতাই বুদ্ধৰ জ্ঞান আৰু দৰ্শনক স্বীকাৰ কৰক বা নকৰক— সত্য সন্ধানী, বুদ্ধৰ ধ্যান-ধাৰণাৰ দ্বাৰা প্ৰবুদ্ধ কবিয়ে জীৱনৰ মৰ্মে মৰ্মে উপলব্ধি কৰিছে, সেই

নিৰ্ৱাণ ঃ নিৰ্বাণ হৈছে অনন্ত সুখ প্ৰাপ্তিৰ অৱস্থা। দুখ-কষ্ট আৰু পুনৰ জনম চক্ৰৰ পৰা মুক্তি। এই মুক্তিয়ে মনলৈ প্ৰশান্তি আনি দিয়ে। নিৰ্বাণ শব্দৰ মূল অৰ্থ হ'ল 'নুমাই যোৱা বা শীতল হোৱা'। এইটোৱে কামনাৰ অগ্নি প্ৰশমিত কৰা কথা সূচায়।

মহাসত্যৰ নির্মলতাত আস্থা স্থাপন কৰিছে। জীৱনৰ প্রকৃত সত্য উপলব্ধি কৰিবলৈ মহা-নির্বাণৰ বাটত বোধিদ্রমৰ তলত বহা বুদ্ধৰ জীৱনৰ মমবাতিৰ শিখাৰ মাজত উজ্বলি উঠিছে জ্ঞানৰ প্রখৰতা, শাশ্বত মূল্যবোধৰ গভীৰতা আৰু মানৱ মুক্তিৰ অনন্ত প্রয়াসৰ ব্যাকুলতা। জ্ঞান স্থিতিশীল; মায়াৰ চঞ্চলতা, নগৰকেন্দ্রিক যান্ত্রিক জীৱনৰ দ্বিধাবোধ আৰু লাভ-লোকচানৰ হিচাপ-নিকাচে— অর্থাৎ আধুনিক যুগ-চেতনাই তাক অস্থিৰ কৰি তুলিব নোৱাৰে। জ্ঞানৰ মৃত্যু নাই; বিনাশ নাই। জীৱন নশ্বৰ; জ্ঞান অবিনশ্বৰ। আধুনিক যুগ-মানস য'ত সংশয়, দ্বিধা আৰু মোহৰ বাসনাই আন সকলো বোধক নিষ্ক্রিয়, ম্লান আৰু নিষ্প্রভ তথা নির্বিকাৰ কৰি ৰাখে, তাত বুদ্ধৰ জ্ঞান আৰু প্রজ্ঞাৰ সাধনা, মানৱ মুক্তিৰ অহোৰাত্র চেতনা ছগাক চঞ্চল কৰা জুইকুৰা সদৃশ, মৌমাখি আৰু গোলাপৰ প্রেমৰ ক্লীৱতা স্বৰূপ—

"জীৱন গলাই জ্বলা মমবাতি শিখাৰ মাজত
তোমাৰ শৰীৰ জ্বলে, অমিতাভ, জ্ঞান জ্বলে।
জ্ঞান স্থিৰ— মৃত্যুৰ বতাহে যাৰ শিখা নকঁপায়।
জ্ঞান জ্বলে। হেঁজাৰ বসন্ত পুৰি ছগাক চঞ্চল কৰা
মমৰ পোহৰ জ্বলে মৌমাখি গোলাপৰ প্রেমৰ ক্লীৱতা জ্বলে।"

মানুহৰ পৃথিৱীত জ্ঞানৰ এই বিমর্ষ অৱস্থা উপলব্ধি কৰাৰ পাছত কবিয়ে বুদ্ধৰ জ্ঞান আৰু দর্শনে যি অন্তর্দৃষ্টিৰ সন্ধান কৰিছে তাৰো মূল্যায়ন কৰিছে। আধুনিক সভ্যতাত, আধুনিক যান্ত্রিক যুগৰ মানুহৰ পৃথিৱীত জ্ঞানে প্রকৃত পথ হেৰুৱালেও, নির্বাণ মুখৰ পৰিৱেশত, সীমাবদ্ধ জ্ঞানৰ পৰিসীমাৰ বাহিৰত জ্ঞানৰ স্থিতি সম্পূর্ণ বিপৰীত দিশত। নির্বাণ মুখৰ জ্যোতিত জ্ঞান চিৰ উজ্বল, সার্থক, মহীয়ান। মায়া-মমতা-মোহৰ ক্ষেত্রখনৰ সীমাৰ পৰিধি ভেদ কৰি অগ্রসৰ হ'লে জ্ঞান হৈ পৰে অম্লান, চিৰজ্যোতিষ্মান, চিৰ প্রজ্বলিত। আধুনিক জীৱনৰ জ্ঞান বিকাৰগ্রস্ত, অনিশ্চিত, অস্থিৰ। আনহাতে, বোধিদ্রুমৰ দ্বাৰা প্রজ্বলিত জ্ঞান স্থিৰ, ধ্রুৱ। এই সভ্যতাত জ্ঞান নির্বাপিত হয়— মৃত্যুত পতিত হয়। নিজে নির্বিকাৰ হৈ থাকিও মানুহক যেন প্রলুব্ধ কৰে। প্রতিটো মুহূর্তত আধুনিক সভ্যতাৰ তথাকথিত জ্ঞানে মানুহৰ শ্বাস-প্রশ্বাস, উশাহ-নিশাহকো যেন প্রভাৱিত কৰে। ইয়াত প্রেমৰ স্বর্গীয় সত্য ৰূপৰ স্বৰূপ প্রকাশিত নহয়; ইয়াত সভ্যতাৰ চঞ্চলতা আৰু যান্ত্রিকতাই, ভোগৰ লালসা, আকাংক্ষাৰ উদগ্র নিচাই প্রেমক দাহন কৰে, কাঠৰ খৰি ছাই হৈ যোৱাৰ দৰে প্রেমো নিঃশেষ হৈ যায়। পুৰণি হ'লে ধূপে হেৰুৱাই তাৰ গোন্ধ— দ্রব্যৰ গুড়ি লিপি কৰা সুগন্ধি ধোঁৱা। তেনেদৰে আধুনিক সভ্যতাত মানুহে উপলব্ধি কৰা সেই জ্ঞানৰ ধোঁৱাই মায়া-সৌন্দর্যৰ স্বপ্ন সৃষ্টি কৰিলেও জ্ঞানৰ প্রকৃত বোধ নজগায়, সৌৰভ দান নকৰে—

"জ্ঞান জ্বলে। সিপাৰত
গছ নীলা কুৰুৱা পাহাৰ জ্বলে। জ্ঞান স্থিৰ।
তাৰ অখণ্ড শিখাই আমাৰ উশাহ পোৱে।

প্রেম পোৱে। (পুৱণি ধূপৰ দৱে ধোঁৱাৱে
কবিতা আঁকি মায়া গঢ়ে— সুৱভি নিদিয়ে)
স্মৃতি পোৱে।"

ইয়াত *গছ নীলা কুৰুৱা পাহাৰ* চিত্রকল্পটোৱে, উত্তৰ গুৱাহাটীৰ পূব দিশে থকা কুৰুৱা পাহাৰটোৰ কথাহে বুজাইছে। নীলাচলৰ এটা ৰং কুৰুৱা পাহাৰত প্রতিভাত হয়। কবিয়ে এই উজ্বল নীলা ৰঙৰ আৱৰণকে কুৰুৱা পাহাৰ জ্বলে বুলি কল্পনা কৰিছে। তেনেদৰে মায়া-মোহ, কামনা-বাসনাত আসক্ত প্রথমা প্রিয়াৰ স্মৃতিৰ সুবাসে জাগতিক প্রেম-বাসনা, গাঁৱলীয়া জীৱনৰ অকৃত্রিম আনন্দৰ মাজত ভোগালীৰ মেজি জ্বলোৱা গৰখীয়া ল'ৰাৰ অন্তৰৰ উদ্দাম বাসনাৰে উদ্ভাসিত সপোনক আধুনিক যুগ-মানসে হেৰুৱাই পেলোৱা, সহজ-সৰল, প্রাণস্পর্শী অকৃত্রিম বাসনা আৰু হেঁপাহৰ মৃত্যু কথাৰেই যেন বার্তা বহন কৰিব বিচাৰে—

"লাজ পোৱে প্রথমা প্রিয়াৰ।
ভোগালীৰ মেজি পো�ৰা
গৰখীয়া ল'ৰাটিৰ
ব'হাগী সপোন পোৱে।"

শিশুৰ মুখৰ অকৃত্রিম, স্বর্গীয় জ্যোতি হেৰুৱাই পেলায় পার্থিৱ বিষয়-বাসনাই আৰু জীয়াই থকাৰ তাড়নাত বাধ্য হৈ কৰিবলগীয়া জীৱিকাৰ এৰিব নোৱাৰা যান্ত্রিক ব্যস্ততা—

"শিশুৰ মুখৰ হাঁহি পুৰি কৰে ৰেলত হকাৰ।"

সেয়েহে হয়তো কবিয়ে এই সত্যও উপলব্ধি কৰিছে যে আধুনিক জীৱন আৰু সভ্যতাই প্রদান কৰা পোহৰৰ মাজত শান্তিৰ সন্ধান নাই। যি অগ্নিয়ে নিঃশেষ কৰিব পাৰে জীৱনৰ সমস্ত মায়া-মোহ, বিষয়-বাসনা আশ্রয়— তাতো যেন আধুনিক যুগ-মানসে স্থাপন কৰিব নোৱাৰে বিশ্বাস আৰু নিৰাপত্তাৰ আস্থা। মিছাক সঁচা বুলি মূল্যহীনক মূল্য প্রদান কৰি আধুনিক যুগ-মানসে যি এক বঞ্চনাৰ বৃত্তত নিজক পৰিচালিত কৰিছে, তাক কবিয়ে উপলব্ধি কৰিছে, এনেদৰে—

"পোহৰত শান্তি নাই; অগ্নিত আশ্রয় নাই;
সীহ পুৰি সোণ কৰা জীৱনৰ মেজিক বঞ্চনা।"

সীহ পুৰি সোণ কৰিব বিচৰা বৃথা চেষ্টাক কবিয়ে কাব্যিক সৌন্দর্যৰে পাঠকৰ সন্মুখত সার্থকভাৱে ব্যঞ্জনাময় কৰি তুলিছে।

বুদ্ধৰ জ্ঞান আৰু প্রজ্ঞাক সাংসাৰিক জীৱনৰ তুচ্ছতা, প্রেমৰ ক্লীৱতা, স্মৃতি আদিক পুৰি নিঃশেষ কৰি দিয়া সংসাৰ যাত্রাৰ স'তে একাকাৰ কৰিব নোৱাৰি। কবিতাটিৰ মাজত আধুনিক জীৱনৰ প্রতীক স্বৰূপ নগৰকেন্দ্রিক সভ্যতাত কবিয়ে যে আত্মীয়তা স্থাপন কৰিব পৰা নাই তাৰো অর্থবহ ইঙ্গিত আছে। কবিয়ে অনুভৱ কৰিছে যে নগৰকেন্দ্রিক

সভ্যতাই জীৱনৰ সৌন্দর্য, মাদকতা নাইকিয়া কৰিছে। জীৱনৰ সঁচা ৰূপ নগৰত বিচাৰি পোৱা নাযায়, পোৱা যায় গাঁৱৰ মাজত। মানুহৰ জ্ঞান-বিজ্ঞান, চিন্তা-ধ্যান-ধাৰণাৰ আধাৰত গঢ় লোৱা আধুনিক সভ্যতাক স্পষ্ট ভাষাৰে অস্বীকাৰ কৰি কবিয়ে আস্থা স্থাপন কৰিছে গাঁৱলীয়া সভ্যতাৰ স'তে ছাঁটোৰ দৰে লাগি থকা মূঢ়তা আশ্রিত, সৰল গ্রাম্য জীৱনত। সেই সৰল জীৱন, নিভাঁজ স্নেহৰ আকুলতাৰ বাহ্যিক প্রকাশ ঘটিছে, আইতাই তামোলৰ পিক মুখত লৈ অকৃত্রিমভাৱে খোৱা জধলা চুমাত—

"আমাৰ কাৰণে যদি শান্তি আছে
আশা আছে
চিৰ শিশু মানুহৰ মহা মূঢ়তাত;
তামোলৰ পিক সনা জধলা চুমাত।"

এই সহজ-সৰল জীৱনৰ আন এটা ফাল পৰিশ্রমৰ বোজা। আধুনিক সভ্যতাই জীৱন আৰু জীৱিকাৰ বাবেই ব্যস্ত থাকি পাৰ কৰে দৈনন্দিন সময়। জীৱিকাৰ মাজতে বিচাৰি লয় ৰং সানিব খোজা এমুঠি মৰম। সেই ব্যস্ততাৰ মাজত দিনটো অতিবাহিত কৰি ভাগৰুৱা শেতেলিত পোনাটি বুকুত লৈ শুই থকা ঘাম-চেঁচা ছালৰ মাজতে প্রশান্ত হৈ থাকে আধুনিক সমাজ জীৱনৰ শান্তি প্রৱাহ—

"আমাৰ কাৰণে শান্তি
জীৱিকাত জীৱনৰ আবিৰ সানিব খোজা এমুঠি মৰম।
আমাৰ কাৰণে শান্তি
পোনাটি বুকুত লৈ
ভাগৰুৱা শেতেলিত
পকোৱা মুগাৰে বোৱা লখিমীৰ ঘাম-চেঁচা ছাল।"

সামগ্রিকভাৱে ক'বলৈ হ'লে কবিতাটিত বুদ্ধই নির্বাণ লাভ কৰা বোধিদ্রুমৰ পটভূমিৰ আধাৰত সৃষ্টি কৰা (প্রজ্বলিত কৰা) চিন্তা-চেতনাই আধুনিক যুগ-মানসত পেলোৱা প্রভাৱ আৰু তাৰ আধাৰত আধুনিক যুগ-মানসিকতাৰ প্রতিফলন কবিতাটিত ব্যঞ্জিত হৈছে। বুদ্ধৰ ধ্যান-ধাৰণাৰ যি জ্ঞান, যি মুক্তি বা নির্বাণৰ সন্ধান তাৰ স্থিতি স্বীকাৰ কৰিও আধুনিক যুগ-চেতনাত সেই জ্ঞানৰ যি ৰূপান্তৰ— কবিতাটিত তাৰ সার্থক প্রকাশ ঘটিছে। আধুনিক যুগ-মানসিকতাই শান্তিৰ আশ্রয় বিচাৰি ব্যাকুল হৈ পৰিছে আৰু জীৱনৰ হিচাপ-নিকাচত গুৰুত্ব দি সংশয়ৰ দোমোজাত আবদ্ধ হৈছে। শান্তিৰ সেই হিচাপ-নিকাচ কিন্তু উৰা-বাতৰি সদৃশ হিচাপ-নিকাচ। আধুনিক মানুহৰ দ্বিধা আৰু সংশয়ৰ ধোঁৰাই জ্ঞানৰ সার্থক মূল্যায়ন কৰিব পৰা নাই। জীৱিকাত জীৱনৰ সর্বস্ব বিচাৰি হাহাকাৰ কৰা, লাভ-ক্ষতিৰে জীৱনৰ মূল্যায়ন কৰা মানুহৰ হাতত শান্তিৰ আশ্রয়স্থলী নাই, আছে সহজ-সৰল, সাধাৰণ নিমাখিত মানুহৰ অকৃত্রিম জীৱনধাৰাত। জর্জ বার্ণাড শ্বৰ সাত্তিক অন্বেষণৰ এক বার্তাক কবিতাটিৰ কেন্দ্রীয় ভাব হিচাপে লৈ— "As long as there will be

fools in the world, there will be hope" –কবিতাটি ৰচনা কৰিছে। এই ভাব প্রতিধ্বনিত হৈছে—

"আমাৰ কাৰণে যদি শান্তি আছে
আশা আছে
চিৰ শিশু মানুহৰ মহা মূঢ়তাত;
তামোলৰ পিক সনা আইতাৰ জধলা চুমাত।"

মূঢ় মানুহ, তামোলৰ পিক সনা আইতাৰ অকৃত্রিম মৰম আৰু ভালপোৱাৰ বাণীতে চিৰন্তনভাৱে জীয়াই থাকিব শান্তি আৰু আশাৰ কেন্দ্রবিন্দু; আধুনিক সভ্যতাই সৃষ্টি কৰা বিজ্ঞান আৰু প্রযুক্তিৰ উত্তৰণৰ আধাৰত সৃষ্টি হোৱা নগৰকেন্দ্রিক, যান্ত্রিক ব্যৱস্থাটোৰ মাজত নহয়। নৱকান্ত বৰুৱাৰ কবিতাত বুদ্ধ-চেতনা প্ৰৱল। ক'বলৈ গ'লে এক অবাৰিত মৃত্যু-চেতনাই নৱকান্ত বৰুৱাৰ কবিতাক জীপাল কৰি ৰাখিছে।

কলাগত দিশৰ পৰা বিচাৰ কৰিলে নৱকান্ত বৰুৱাক এখন সুকীয়া আসন দিব লাগিব। কবি নৱকান্ত বৰুৱাই অসমীয়া ছন্দৰ বুৰঞ্জীত নানা ধৰণে পৰীক্ষা-নিৰীক্ষা চলাইছে। নৱকান্ত বৰুৱাৰ ছন্দৰ বিষয়ে আলোচনা কৰি মহেন্দ্র বৰাই এনেদৰে কৈছে— "মুক্ত ছন্দই তাৰ সুবলয়িত ৰূপটো বিচাৰি পালে প্রথমতে নৱকান্ত বৰুৱাৰ কবিতাত, নতুন কাব্য-চিন্তা, নতুন কাব্য-ৰূপ আৰু নতুন আঙ্গিকেৰে সমৃদ্ধ তেওঁৰ কবিতাসমূহ ছন্দৰ ফালৰ পৰাও নতুন আছিল। ছন্দক তেওঁ চিৰাচৰিত ছন্দ-বন্ধৰ বান্ধোনেৰে স্পন্দন মাধুর্যৰ ওপৰত প্রতিষ্ঠিত কৰিলে। তেওঁৰ কবিতাৰ ছন্দ আছিল ছিন্ন অমিতাক্ষৰৰ পৰা এখোজ দূৰত্বততহে।" মুক্ত ছন্দই তেওঁৰ কবিতাক সজীৱ কৰি ৰাখিছে যদিও তাৰ মাজতো তেওঁৰ কবিতাত মাজে-সময়ে স্পন্দিত গদ্যই ভুমুকিয়াবলৈ পাহৰা নাই। প্রকৃতার্থত ক'বলৈ হ'লে বিষয়বস্তু আৰু ছন্দ উভয় দিশতে পৰীক্ষা-নিৰীক্ষা চলাইছিল কবি নৱকান্ত বৰুৱাই। আনহাতে, প্রতীকৰ সুন্দৰ ব্যৱহাৰেৰে কবিতাক আকর্ষণীয় কৰি তুলিবলৈ এই গৰাকী কবিয়ে সততে প্রয়াস কৰিছিল। নৱকান্ত বৰুৱাৰ কবিতাৰ প্রতীকসমূহৰ ভিতৰত প্রিয় প্রতীক হ'ল 'আকাশ'— যি আকাশ তেওঁৰ বাবে মুক্ত বৃহত্তৰ জীৱন নাইবা অসীমৰ প্রতীক স্বৰূপ। এই সম্পর্কত ইমদাদ উলাহে এনেদৰে কৈছে— "কবি বৰুৱাৰ চকুত আকাশে সম্ভৱতঃ মহাজীৱনৰ মুক্তিৰ ইঙ্গিত বহন কৰি আনে। প্রাত্যহিক জীৱনৰ সকলো ধৰণৰ ক্ষুদ্রতা, বাধা আৰু বন্ধন, সকলো ধৰণৰ কলুষতাৰ পৰা মুক্তি লাভ কৰি বৃহত্তৰ, মহত্ত্বৰ কোনো জীৱনৰ সোৱাদ লাভ কৰিবলৈ কবিৰ হেঁপাহ দুর্বাৰ। প্রকৃততে কোনো ধৰণৰ বন্ধন তেওঁ মানিব নোখোজে, আনকি বিশেষ কোনো বিশ্বাস নাইবা মতবাদৰ বন্ধনো। অৱশ্যে নৱকান্ত বৰুৱাৰ অসীম আকাশে কোনো আধ্যাত্মিক প্রমূল্যৰ ইঙ্গিত নিদিয়ে। তেওঁ একান্তভাবেই মাটিৰ পৃথিৱীৰ আৰু মাটিৰ মানুহৰ কবি, এই পৰিচিত পৃথিৱীখনক আৰু ইয়াৰ মানুহবিলাকক তেওঁ গভীৰভাৱে ভাল পায়।" তেওঁৰ কবিতাত চিত্রকল্পৰো সুন্দৰ প্রয়োগ দেখা যায়। তেওঁৰ কাব্য-ৰচনাৰ আৰম্ভণি কালছোৱাত এই

প্ৰভাৱ সুস্পষ্ট। উদাহৰণ স্বৰূপে *কেইটিমান স্কেচ* নামৰ কবিতাটিৰ পৰা তলৰ কবিতাফাঁকি উদ্ধৃত কৰা হ'ল—

"গছৰ পাতবোৰৰ মাজেদি বেলিটোৱে
মুঠি মুঠি পোহৰৰ শিলগুটি দলিয়াই আছে।
তোমাৰ মুখত আহি পৰিছে
মোৰ গাত পৰা নাই।"

বিভিন্ন প্ৰতীকেৰে সমৃদ্ধ কবি নৱকান্ত বৰুৱাৰ *ইয়াত নদী আছিল* এটি সাৰ্থক কবিতা। এই কবিতাটিৰ জৰিয়তে কবিয়ে আধুনিক জীৱনৰ অৱক্ষয় আৰু ব্যৰ্থতাৰ ছবি সুন্দৰভাৱে প্ৰকাশ কৰিবলৈ সমৰ্থ হৈছে। কবিতাটিৰ *মৰুভূমি, তামৰঙী এখন আকাশ, ফুট-ছাই ধৰণৰ পৃথিৰী* আদি প্ৰতীকী ভাষাৰে তেওঁ জীৱনৰ অৱক্ষয় তথা ব্যৰ্থতাৰ ছবি অধিক ঘণীভূত কৰি তুলিছে—

"কিন্তু মৰুভূমি আহে
লাহে-লাহে মাহে-মাহে বছৰে-বছৰে
আঁহতৰ খোৰোঙত এপাহি কপৌ ফুল সোনকালে সৰে
গোপন ব্যাধিৰ দৰে লাহে লাহে মচি নিয়ে
প্ৰাণৰ যিমান ৰং, সেউজী-সোণালী
আঁকি দিয়ে তামৰঙী এখন আকাশ আৰু
ফুট-ছাই বৰণৰ এখন পৃথিৰী।"



নৱকান্ত বৰুৱাৰ কবিতাত জিজ্ঞাসা আছে, চিন্তা আছে আৰু আছে এক সামগ্ৰিক আৱেদন। তেওঁৰ কবিতাৰ এটা বলিষ্ঠ দিশ আছে, য'ত তেওঁ স্পষ্টভাৱে ঘোষণা কৰিছে—

"সিহঁত ৰত্নাকৰ
সিহঁতক বাল্মীকি কৰাৰ দায়িত্ব মাথোন আমাৰ।"

নৱকান্ত বৰুৱা আধুনিক অসমীয়া কবিতাৰ এগৰাকী শক্তিশালী কবি।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ আধুনিক কবিতা হিচাপে নৱকান্ত বৰুৱাৰ *বোধিদ্রুমৰ খৰি* কবিতাটোৰ বিষয়ে এটি চমু আলোচনা আগবঢ়াওক।

(১৫০টা শব্দৰ ভিতৰত লিখক।)



১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিত আমি নৱকান্ত বৰুৱাৰ সামগ্ৰিক কাব্য-চিন্তাৰ আধাৰত তেওঁৰ কবিতাৰ ভিন্ন দিশ সম্পৰ্কেও আলোচনা কৰিলোঁ।

- আধুনিক অসমীয়া কবিতাৰ প্ৰসাৰ আৰু জনপ্ৰিয়তাত নৱকান্ত বৰুৱাৰ যে অমূল্য বৰঙণি আছে, তেওঁ যে কাল-চেতনাৰ কবি আৰু তেওঁৰ কবিতাত যে সন্ধানী দৃষ্টি আৰু সজাগ যুগ-চেতনা দেখা যায়— এই দিশসমূহৰ বিষয়ে গম পালোঁ।
- নৱকান্ত বৰুৱাৰ কবিতাত মানৱীয় সত্যৰ অন্বেষণ আছে।
- নৱকান্ত বৰুৱাৰ কবিতাত যুগ-মানসৰ যি দ্বন্দ্ব সেয়া স্পষ্ট।
- অধ্যায়টিৰ জৰিয়তে নৱকান্ত বৰুৱাৰ সার্থক কবিতা *বোধিদ্রুমৰ খৰিত* মানুহৰ সামাজিক আৰু আধ্যাত্মিক মুক্তিৰ সন্ধান দিয়া বুদ্ধৰ জ্ঞান আৰু দর্শনে আধুনিক যুগ-মানসত কেনে ধৰণৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে তাৰো আভাস পালে।
- তদুপৰি শান্তিৰ মূল আশ্ৰয়স্থলী যে মানুহৰ হৃদয়ৰ সৰলতাত— সেই সত্যৰ বোধ এই অধ্যায়টিৰ অধ্যয়নৰ পৰা লাভ কৰিলে।
- নৱকান্ত বৰুৱাৰ কবিতাৰ সামগ্ৰিক দিশৰ কিছু আভাস পালে।
- ছন্দ, প্ৰতীক আৰু চিত্ৰকল্পৰ ব্যৱহাৰেৰে নৱকান্ত বৰুৱাই কবিতাক কেনেদৰে সমৃদ্ধ কৰিছে তাৰ চমু আভাস পালে।



১২.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থঃ

১) আহমেদ, কামালুদ্দিন (২০১৫); *আধুনিক অসমীয়া কবিতা*; গুৱাহাটী ঃ বনলতা।

২) উল্লাহ, ইমদাদ (১৯৮৩); *কবিতাৰ সবিশেষ;* অসম সাহিত্য সভা, যোৰহাট ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন।

৩) উল্লাহ, ইমদাদ (১৯৮০); *সৃজন আৰু মনন*; গুৱাহাটী ঃ গুৱাহাটী বুক ষ্টল।

৪) গোস্বামী, মালিনী আৰু আহমেদ, কামালুদ্দিন (সম্পা.) (২০০৯); *আধুনিক অসমীয়া কবিতাৰ তিনিটা স্তৰ;* অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়।

৫) পূজাৰী, অর্চনা (সম্পা.) (২০০০); *অসমীয়া কবিতাৰ বিচাৰ বিশ্লেষণ*; পাণবজাৰ, গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৬) ফুকন, কবীন (১৯৯৬); *কবিতাৰ জুতি-বিচাৰ*; পাণবজাৰ, গুৱাহাটী ঃ লয়ার্চ বুক ষ্টল।

৭) ভট্টাচার্য, পূর্ণ (২০১০); *আধুনিক অসমীয়া কবিতা*; পাণবজাৰ, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৮) ভৰালী, শৈলেন (১৯৭৬); *আধুনিক অসমীয়া সাহিত্যঃ দুটি তৰঙ্গ*; পাণবজাৰ, গুৱাহাটী ঃ বাণী প্ৰকাশ।

ইংৰাজী গ্ৰন্থঃ

1) George, K. M. (ed.); *Comparative Indian Literature*; Kerala Sahitya Akademi.

১২.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ চমুকৈ কবি পৰিচয়... ...কবিতাৰ বিষয়বস্তুৰ আভাস... ...তেওঁৰ কবিতাত ফুটি উঠা বৈশিষ্ট্যসমূহৰ বিষয়ে উল্লেখ কৰি উদাহৰণসহ আলোচনা কৰিব লাগিব।

২নং প্রশ্নৰ উত্তৰ ঃ *বোধিদ্রুমৰ খৰি* কবিতাৰ মূল কথাখিনি... ...কবিয়ে কেনেদৰে বিষয়বস্তু সম্পর্কত নিজস্ব মতামত দাঙি ধৰিছে সেই বিষয়ে বহলাই আলোচনা কৰিব লাগিব।

৩নং প্রশ্নৰ উত্তৰ ঃ কবিতাটোৰ বিষয়বস্তুৰ চমু উল্লেখ... ...নগৰকেন্দ্রিক জীৱনধাৰাই মানুহৰ প্রকৃত জীৱনলৈ অনা অৱসাদবোধ... ...বস্তুবাদী চিন্তাৰ বাবে মানুহৰ মনত শান্তি নাই... ...সৰল জীৱন চিন্তাৰ মাজতে জীৱনৰ অমিয় সুখ আৰু প্রশান্তিবোধ নিহিত হৈ আছে.. ...আধুনিক কবিতাৰ এনেবোৰ বৈশিষ্ট্য এই কবিতাটোত কেনেদৰে ব্যক্ত হৈছে লিখিব লাগিব। ইয়াৰ বাবে অধিক জানিবলৈ উল্লেখ কৰা পুথিসমূহৰ অধ্যয়ন প্রয়োজনীয়।



১২.৮ আহিঁ প্রশ্ন

প্রশ্ন ১ ঃ আধুনিক অসমীয়া কবিতাত নৱকান্ত বৰুৱাৰ স্থান নির্ণয় কৰি এটা প্রবন্ধ যুগুত কৰক।

প্রশ্ন ২ ঃ নৱকান্ত বৰুৱাৰ কবিতাৰ বিভিন্ন দিশত আলোকপাত কৰি চমু আলোচনা আগবঢ়াওক।

প্রশ্ন ৩ ঃ নৱকান্ত বৰুৱাৰ *বোধিদ্রুমৰ খৰি* কবিতাটিৰ বিষয়বস্তু আলোচনা কৰক।

প্রশ্ন ৪ ঃ বুদ্ধৰ জ্ঞান আৰু দর্শনক *বোধিদ্রুমৰ খৰি* কবিতাটিত কেনেদৰে কাব্য-ৰূপ দিয়া হৈছে বিচাৰ কৰক।

প্রশ্ন ৫ ঃ প্রসঙ্গ সঙ্গতি দর্শাই ব্যাখ্যা কৰক—

ক) জীৱন গলাই জ্বলা মমবাতি শিখাৰ মাজত
তোমাৰ শৰীৰ জ্বলে, অমিতাভ, জ্ঞান জ্বলে।
জ্ঞান স্থিৰ— মৃত্যুৰ বতাহে যাৰ শিখা নকঁপায়।

খ) পোহৰত শান্তি নাই; অগ্নিত আশ্রয় নাই;
সীহ পুৰি সোণ কৰা জীৱনৰ মেজিক বঞ্চনা।

গ) আমাৰ কাৰণে যদি শান্তি আছে
আশা আছে
চিৰ শিশু মানুহৰ মহা মূঢ়তাত;
তামোলৰ পিক সনা আইতাৰ জধলা চুমাত।

*** ***** ***